# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-02-2025
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

---

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচীৰে ২৪ ফেব্ৰুৱাৰীত অসমলৈ আহিব। ৰাজ্যখনত ঔদ্যোগিক আৰু বিনিয়োগ আন্তঃগাঁথনি উন্নয়নৰ লক্ষ্যৰে ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছাম শীৰ্ষক বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন প্ৰধানমন্ত্ৰীয়ে উদ্বোধন কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি সংবাদ মাধ্যমৰ আগত এইবিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰীগৰাকী অহা ২৪ ফেব্ৰুৱাৰীত গুৱাহাটীত উপস্থিত হ'বহি। মুখ্যমন্ত্ৰীয়ে যোৱা দুদিনত নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপৰি বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণ, পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰী, ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱ, বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ূষ গোৱেল, পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদ্বীপ সিং পুৰী আৰু ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াকো সাক্ষাৎ কৰে। কালি ড° শৰ্মাই চত্তিশগড়ৰ ৰাজ্যপাল ৰমেন ডেকাকো সাক্ষাৎ কৰে। মুখ্যমন্ত্ৰীয়ে তেওঁলোকক সন্মিলনলৈ আমন্ত্ৰণ জনায়। ড° শৰ্মাই লগতে মন্ত্ৰীকেইগৰাকীৰ সৈতে ৰাজ্যখনৰ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্প সন্দৰ্ভতো আলোচনা কৰে।

ড° শৰ্মাই কালি এডভাণ্টেজ আছাম সন্মিলনৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰক নতুন দিল্লীত সাক্ষাৎ কৰে। মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক এই সন্মিলনলৈ আমন্ত্ৰণ জনোৱাৰ লগতে শ্ৰী জয়শংকৰে দেশৰ এক্ট-ইষ্ট নীতিত অসমৰ গুৰুত্বপূৰ্ণ ভূমিকা সন্দৰ্ভত এডভাণ্টেজ আছামৰ কাৰ্যসূচীত আলোকপাত কৰিব বুলি আশা প্ৰকাশ কৰে।

এডভাণ্টেজ আছাম সন্মিলনত প্ৰধানমন্ত্ৰী মোদীৰ লগতে ভূটানৰ প্ৰধানমন্ত্ৰীও উপস্থিত থাকিব। পাঁচখন সহযোগী দেশে অংশ ল'বলগীয়া এই সন্মিলনত ৫ শতাধিক বিদেশী উদ্যোগী আৰু বিনিয়োগকাৰীয়ে অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

ooooo

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ সৈতে সংগতি ৰাখি অহা ২৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী মোদীৰ উপস্থিতিত হ'বলগীয়া ঝুমুৰ নৃত্যৰ অনুষ্ঠানৰ প্ৰস্তুতি পৰ্যালোচনাৰ বাবে আজি এখন বৈঠক অনুষ্ঠিত হয়। ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত গ্ৰহণ কৰিবলগীয়া 'ঝুমইৰ বিনন্দিনী' শীৰ্ষক এই কাৰ্যসূচীৰ বিভিন্ন দিশ সন্দৰ্ভত আজি মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, অশোক সিংহল, পীযুষ হাজৰিকা আৰু যোগেন মহনে পৰ্যালোচনা কৰে। এই বৈঠকখনত ৰাজ্যখনৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্যক বিশ্ববাসীৰ সন্মুখত উন্মোচন কৰিব পৰাকৈ পৰিৱেশন ৰীতি, অনুষ্ঠান প্ৰদৰ্শনস্থলীৰ ব্যৱস্থাপনা, ব্ৰেণ্ডিং আৰু প্ৰচাৰ তথা খাদ্য আৰু প্ৰাথমিক চিকিৎসাৰ সুবিধা নিশ্চিত কৰা সন্দৰ্ভত বৈঠকত আলোচনা কৰা হয়।

ooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বৰঝাৰৰ গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ টাৰ্মিনাছ পুনৰ উন্নীতকৰণ প্ৰকল্প উদ্বোধন কৰে। প্ৰকল্পটো উদ্বোধন কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে বছৰি ১০ লাখ ৩০ হাজাৰ যাত্ৰীৰ বহন ক্ষমতা যোগ্য ৰূপত গঢ় ল'বলগীয়া এই বিমান বন্দৰটোৱে বৰ্তমানৰ সামৰ্থ্যতকৈ চাৰি গুণ অধিক যাত্ৰীক সুবিধা প্ৰদান কৰিব পাৰিব। এই উন্নীতকৰণ প্ৰকল্পৰ অধীনত বিমান বন্দৰটোৰ সন্মুখ ভাগত প্লেটফৰ্মৰ এলেকা ২৭০ বৰ্গ মিটাৰৰ পৰা এহেজাৰ বৰ্গ মিটাৰলৈ বৃদ্ধি কৰা হৈছে। একেদৰে প্ৰৱেশ পথৰ সংখ্যা ৮ৰ পৰা ১৪ লৈ বৃদ্ধি কৰা হৈছে। তদুপৰি ৯০০ বৰ্গ মিটাৰ পদপথ নিৰ্মাণৰ লগতে ১৪০ মিটাৰ দৈৰ্ঘ্যৰ নক্সাখচিত এখন দেৱাল নিৰ্মাণ কৰা হৈছে। প্ৰয়োজনীয় আঁচবাব সংযোজনৰ লগতে বিমান বন্দৰটোত নিৰাপত্তাৰ অংশ হিচাপে নিৰীক্ষণৰ এলেকা ৩০০ৰ পৰা ৪৫০ বৰ্গ মিটাৰলৈ বৃদ্ধি কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০

ৰাজ্যৰ ১০ খন জিলাৰ ১২ হাজাৰ ৩৭৫ খন বিদ্যালয়ক সামৰি কালিৰেপৰা গুণোৎসৱৰ তৃতীয় পৰ্যায়ৰ কাৰ্যসূচী অনুষ্ঠিত হৈছে। গোৱালপাৰা জিলাৰ বালিজানা, মাটিয়া, দুধনৈ আৰু লক্ষীপুৰ - এই চাৰিটা শিক্ষাখণ্ডৰ এহেজাৰ ৫৭৪ খন বিদ্যালয়ত গুণোৎসৱ অনুষ্ঠিত হৈছে। জিলাখনৰ বিভিন্ন চৰকাৰী বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীৰ ১ লাখ ৬৩ হাজাৰ ৮০০ ৰো অধিক ছাত্ৰ-ছাত্ৰীক গুণোৎসৱৰ জৰিয়তে মূল্যায়ন কৰা হ'ব। জিলাখনত ৬৭৬ গৰাকী বিষয়াক বহিঃমূল্যায়ক হিচাপে নিয়োগ কৰা হৈছে। আজি জিলাখনৰ ৫৩৬ খন বিদ্যালয়ত বহিঃমূল্যায়ন সম্পন্ন হয়। একেদৰে মৰিগাঁও জিলাতো আজি গুণোৎসৱৰ বহিঃমূল্যায়ন কৰা হয়। জিলাখনৰ আয়ুক্ত দেৱাশীষ শৰ্মাই কেইবাখনো বিদ্যালয় পৰিদৰ্শন কৰি ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ সৈতে মত বিনিময় কৰে। তেওঁ বিদ্যালয়সমূহৰ পাঠদান পদ্ধতি, পৰীক্ষা ব্যৱস্থা আৰু শিক্ষকৰ বিভিন্ন সমস্যাৰ বিষয়ে তথ্য সংগ্ৰহ কৰে। উল্লেখযোগ্য যে কালি প্ৰথমদিনা ৯ লাখ ৮১ হাজাৰ ৫৬৫ গৰাকী শিক্ষাৰ্থীৰ স্ব-মূল্যায়ন কৰা হৈছিল। এই পৰ্যায়ত ডিব্ৰুগড়, বিশ্বনাথ, দৰং, মৰিগাঁও, বঙাইগাঁও, কাছাৰ, ডিমা হাচাও, গোৱালপাৰা, মাজুলী আৰু নলবাৰী জিলাত পৰহিলৈ পৰ্যন্ত তৃতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হ'ব। এই পৰ্যায়ত মুঠ ৪ হাজাৰ ৯৬৭ গৰাকী বহিঃমূল্যায়কে ১১ লাখ ৩৮ হাজাৰ ২৭৫ গৰাকী শিক্ষাৰ্থীৰ বহিঃমূল্যায়ন কৰিব।

০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ সংমণ্ডলে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণৰ বাবে কাইলৈ আৰু পৰহিলৈ প'ৰ্টেল পুনৰ মুকলি কৰিব বুলি জনাইছে। এই সন্দৰ্ভত পৰিষদৰ সচিবে সংশ্লিষ্ট সকলো শিক্ষানুষ্ঠানৰ মুৰব্বীক পৰহিলৈ তথা ৭ ফেব্ৰুৱাৰীৰ বিয়লি ৫ বজা পৰ্যন্ত শিক্ষাৰ্থীৰ অনলাইন প্ৰ-পত্ৰ পূৰণ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিছে। সময় উকলি যোৱাৰ পাছত অনলাইন প্ৰ-পত্ৰ পূৰণৰ সময়সীমা বৃদ্ধি কৰা নহয় বুলিও শিক্ষা পৰিষদ সংমণ্ডলে নিৰ্দেশনাটোত স্পষ্ট কৰি দিছে।

০০০০০

উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ আজি নৱম দিন। আজিৰ দিনটোত লন বলৰ প্ৰতিযোগিতাত অসমৰ সুৰঞ্জনা বৰুৱাই ৰূপৰ পদক অৰ্জন কৰিছে। আজিৰ দিনটোত অসমৰ চাৰিগৰাকী বক্সাৰ শিৱ থাপা, লাভলীনা বৰগোহাঁই, অঙ্কুশিতা বড়ো আৰু আইকন মিলিয়ে নিজৰ নিজৰ ইভেণ্টত ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

অসম ফুটবল দলটোৱে আজি অনুষ্ঠিত ছেমি ফাইনেলত কেৰালাৰ বিৰুদ্ধে পৰাজয় বৰণ কৰে। গ'ল শূন্যভাৱে সমাপ্ত হোৱা খেলখনত ট্ৰাই ব্ৰেকাৰত ৩-২ গ'লৰ ব্যৱধানত অসম দলটো পৰাস্ত হয়। অসমে এতিয়া

তৃতীয় স্থান তথা ব্ৰঞ্জৰ পদকৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিব। অসমৰ দৌৰবিদ অম্লান বৰগোহাঁইয়ে ৰাষ্ট্ৰীয় ক্ৰীড়াত অংশগ্ৰহণৰ বাবে আজি উত্তৰাখণ্ড অভিমুখে যাত্ৰা কৰিছে। অসমে এইপৰ্যন্ত ১০টা ৰূপ আৰু ৫টা ব্ৰঞ্জৰ পদকেৰে তালিকাৰ ২৫ নম্বৰ স্থানত আছে।

০০০০০

গুৱাহাটীৰ লতাশিল নিবাসী তাৰিণী চৌধুৰী চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী তথা ভাৰপ্ৰাপ্ত প্ৰাক্তন অধ্যক্ষা চিত্ৰা চৌধুৰীৰ আজি পুৱা শ্বাস-প্ৰশ্বাসজনিত ৰোগত আক্ৰান্ত হৈ দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৮ বছৰ।

০০০০০

সমাপ্ত